# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 21-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক।

২। বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ। বিশ্বৰ আগশাৰীৰ প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে মত বিনিময়।

৩। অসমত আনুমানিক ৪ লাখ ৮৬ হাজাৰ ৬৯৮ কোটি টকা বিনিয়োগেৰে ১১১ টা আন্তঃগাঁথনিমূলক প্ৰকল্প ৰূপায়ণ।

আৰু

৪। অসমত আজিৰেপৰা ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ডৰ খেল।

ooooooo

———কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হ'ব ধৰিছে। জিলাখনত যোৱা ২৪ ঘণ্টাত নতুনকৈ কোনো হিংসাত্মক ঘটনা সংঘটিত হোৱা নাই। আস্থা গঢ়াৰ আৰু সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে আজি পুৱাৰ ভাগত কাৰিগাঁও আৰক্ষী চকীৰ অধীনৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ দিশৰ স্পৰ্শকাতৰ এলেকাসমূহত ফ্লেগমাৰ্চ কৰে। সেনা, দ্ৰুত কাৰ্যবাহিনী, চি আৰ পি এফ, অসম আৰক্ষী আৰু জিলা প্ৰশাসনৰ বিষয়াসকলে যৌথভাৱে এই ফ্লেগমাৰ্চ কৰে। জিলা আয়ুক্ত পংকজ চৌধাৰীয়ে অঞ্চলটোৰ সামগ্ৰিক পৰিস্থিতি ক্ৰমাৎ উন্নত হ'ব ধৰিছে। তেওঁ কয়, যে জিলাখনত সৃষ্টি হোৱা শেহতীয়া অশান্ত পৰিস্থিতিৰ বলি হোৱা লোকসকলৰ বাবে জিলাখনত স্থাপন হোৱা দুটা সাহায্য শিবিৰত এহেজাৰ দুশৰো অধিক লোকে আশ্ৰয় লৈ আছে। জিলা আয়ুক্তগৰাকীয়ে লগতে অঞ্চলটোত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে আজি বিয়লি তিনি বজাত বিভিন্ন সংগঠনৰ নেতা, ভিন ভিন সম্প্ৰদায়ৰ নেতৃস্থানীয় লোক আৰু সংশ্লিষ্ট পক্ষসমূহৰ এখন বৈঠকৰ আহ্বান কৰা হৈছে।

বাইট

কৰ্তৃপক্ষই সকলোকে ধৈৰ্য্য ধৰি থাকিবলৈ, প্ৰশাসনৰ সৈতে সহযোগিতা কৰিবলৈ আৰু উৰা বাতৰি বিয়পোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। বি টি এ ডিৰ আৰক্ষীৰ মহা পৰিদৰ্শক বিবেক ৰাজ সিঙেও জনসাধাৰণক উৰা বাতৰিত ভোল নাযাবলৈ আহ্বান জনাইছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আৰক্ষী মহা পৰিদৰ্শকগৰাকীয়ে কয়, যে অঞ্চলটোত অলপতে সংঘটিত হিংসাত্মক সংঘৰ্ষ সন্দৰ্ভত বৰ্তমানলৈকে ১৯ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোকক আজি ন্যায়ালয়ত হাজিৰ কৰা হ'ব। তেওঁ লগতে কালিৰ ঘটনা সন্দৰ্ভত তিনিজন লোকক গ্ৰেপ্তাৰ কৰা বুলি জানিবলৈ দিয়ে। জিলাখনৰ স্পৰ্শকাতৰ এলেকাসমূহত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে আৰু প্ৰশাসনে জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে পৰিস্থিতি অহৰহ নিৰীক্ষণ কৰি আছে।

ooooooo

ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনত দেশৰ অন্যতম প্ৰতিনিধিৰূপে উপস্থিত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ভাৰত পেভেলিয়নৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থকাৰ লগতে তেওঁ গোলকীয় ছেমি কণ্ডাক্টৰ উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকতো অংশ লয়। এই বৈঠকত ছিনপ্ছিছ, কোৱালকম, এনালগ ডিভাইচেছ, থাৰ্ম' ফিচাৰ, হনিৱেল আৰু হেংকেল আদি বিশ্বৰ আগশাৰীৰ প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে ড০ শৰ্মাই মত বিনিময় কৰে। এই প্ৰতিষ্ঠানসমূহে নিজ নিজ কৰ্মক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শন কৰি ৰাজ্যখনত অংশীদাৰিত্ব কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰৰ এক্ট-ইষ্ট নীতিৰ অধীনত অসমৰ লগতে উত্তৰ-

পূৰ্বাঞ্চলৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এই প্ৰসংগতে তেওঁ জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্প আৰু উন্নয়নৰ ক্ষেত্ৰত ইয়াৰ সম্ভাব্য সুদূৰপ্ৰসাৰী প্ৰভাৱৰ বিষয়েও মন্তব্য কৰে।

অসমত বিনিয়োগ সম্ভাৱনা অন্বেষণ সন্দৰ্ভত আই বি এমৰ উপাধ্যক্ষ গেৰী ক'নৰ সৈতেও মুখ্যমন্ত্ৰীগৰাকী বৈঠকত মিলিত হয়।

০০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত কাইলৈৰ পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। মেলা সমিতিয়ে ইতিমধ্যে ইয়াৰ বাবে প্ৰস্তুতি চলাইছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। কাইলৈ পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানৰ লগতে তিৱা জাতীয় জীৱনৰ সৈতে জড়িত গৃহ মুকলি কৰা হ'ব। কাইলৈ পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। পৰহিলৈ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

০০০০০০০০

অসমত আনুমানিক ৪ লাখ ৮৬ হাজাৰ ৬৯৮ কোটি টকা বিনিয়োগেৰে ১১১ টা আন্তঃগাঁথনিমূলক প্ৰকল্প ৰূপায়ণ হৈ আছে। সক্ৰিয় প্ৰশাসন আৰু সময় নিৰ্ধাৰিত ৰূপায়ণ অৰ্থাৎ প্ৰগতি শীৰ্ষক কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যসূচীৰ অধীনৰ পি এম জি পোৰ্টেলত এই তথ্য প্ৰকাশ কৰা হৈছে। ৰে'লৱে, পথ আৰু ঘাইপথ, শক্তি উৎপাদন আৰু বিতৰণ, তেল আৰু গেছ, স্বাস্থ্য সেৱা, আৱৰ্জনা আৰু জল ব্যৱস্থাপনাকে ধৰি বিভিন্ন খণ্ডত এই প্ৰকল্পসমূহ ৰূপায়ণ কৰা হৈছে। এই প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সক্ৰিয় ভূমিকা লৈছে বুলি পোৰ্টেলটোত উল্লেখ কৰা হৈছে। ১১১টা প্ৰকল্পৰ ভিতৰত ৮১ হাজাৰ ৮৭১ কোটি টকা ব্যয়সাপেক্ষ ৪৬টা প্ৰকল্প ইতিমধ্যে ৰূপায়ণ কৰা হৈছে আৰু ৬৫টা ৰূপায়ণৰ কাম চলি আছে। ৰে'ল আন্তঃগাঁথনি বিকাশৰ বাবে ৰাজ্যখনত ৪৫ হাজাৰ ৭৯৩ কোটি টকা ব্যয় সাপেক্ষ ১৫টা প্ৰকল্প ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। ইয়াৰে ২৬ হাজাৰ ২৫৭ কোটি টকা ব্যয়সাপেক্ষ সাতটা প্ৰকল্প ৰূপায়ণ কৰা হৈছে আৰু ১৯ হাজাৰ ৫৩৫ কোটি টকা ব্যয়সাপেক্ষ ৮টা প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে বুলি পোৰ্টেলটোত উল্লেখ কৰা হৈছে।

০০০০০০০

গৱেষক শিক্ষাৰ্থীসকলৰ সহায়ক হোৱাকৈ জীৱন অনুপ্ৰেৰণা আঁচনিৰ সাহায্যৰাশি অহা ১১ ফেব্ৰুৱাৰীৰ পৰা বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে শিক্ষাৰ্থীসকলে গৱেষণা সুচাৰুৰূপে চলাই ৰাজ্যৰ শৈক্ষিক উত্তৰণৰ একো একোজন অগ্ৰণী সেনানি হোৱাত উৎসাহ যোগোৱাৰ উদ্দেশ্যে এই আঁচনিখন গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ অধীনত গৱেষক শিক্ষাৰ্থীসকললৈ ২৫ হাজাৰ টকাকৈ আৰু দিব্যাংগ গৱেষক ছাত্ৰ-ছাত্ৰীসকলক ৪০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

০০০০০০০

কামাখ্যা আৰু কলকাতাৰ হাওৰাৰ মাজত প্ৰথমবাৰৰ বাবে বন্দে ভাৰত শ্লিপাৰ ৰে'লৰ বাণিজ্যিক চলাচল আৰম্ভ হোৱাৰ পাছতে যাত্ৰীৰ পৰা বিপুল সঁহাৰি লাভ কৰিছে। ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি টিকটৰ সংৰক্ষণ মুকলি কৰি দিয়াৰ কেইঘণ্টামানৰ ভিতৰতে সকলোবিলাক আসনৰে টিকট বিক্ৰী হয়। টিকটৰ এই খৰতকীয়া বিক্ৰীয়ে বন্দে ভাৰত ৰে'লৰ গতি, আৰামদায়ক তথা আধুনিক সা-সুবিধা আদি যাত্ৰীসকলে উপভোগ কৰিবৰ বাবে আগ্ৰহী হৈ উঠাৰ কথাকে প্ৰতিফলিত কৰে। যোৱা সপ্তাহত প্ৰধানমন্ত্ৰীয়ে এই ৰে'ল যাত্ৰাৰ শুভাৰম্ভ কৰিছিল। ৰে'লখনে কামাখ্যাৰ পৰা কাইলৈ প্ৰথমটো বাণিজ্যিক চলাচল আৰম্ভ কৰিব আৰু শুকুৰবাৰে হাওৰাৰ পৰা ওভতনি যাত্ৰা কৰিব।

০০০০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ডৰ খেলসমূহ আজিৰেপৰা অসমত অনুষ্ঠিত হৈছে। চিলাপথাৰত আজি প্ৰতিযোগিতাৰ আৰম্ভণি অনুষ্ঠান দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। এইবাৰ সপ্তমবাৰৰ বাবে চিলাপথাৰৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। অসম ফুটবল সন্থাৰ আমন্ত্ৰণ মৰ্মে দেশৰ শীৰ্ষ পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাখনৰ ১৫ খন গুৰুত্বপূৰ্ণ খেল চিলাপথাৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব। দিনৰ ১ বজাত অসম আৰু তামিলনাডুৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থকাৰ কথা।

উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত দেশৰ ১২টা দলে অংশগ্ৰহণ কৰিছে। ছটা ছটাকৈ দুটা গোটত ভাগ কৰা, পশ্চিমবংগ, অসম, নাগালেণ্ড, ৰাজস্থান, উত্তৰাখণ্ড আৰু তামিলনাডুক গ্ৰুপ-এত আৰু ৰে'লৱেছ, ছাৰ্ভিচেছ, কেৰালা, পঞ্জাব, মেঘালয় আৰু ওড়িশাক গ্ৰুপ-বিত ৰখা হৈছে। ফিফা প্লাছ মঞ্চৰ জৰিয়তে প্ৰতিযোগিতাৰ সকলো খেল পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। নকআউট পৰ্যায়ৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা শীৰ্ষ চাৰিটা দল অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৫ ফেব্ৰুৱাৰীত ছেমি ফাইনেল খেল দুখন আৰু ৮ ফেব্ৰুৱাৰীত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০০

**সমাপ্ত**